**স্বৰবৰ্ণৰ পৰিচয় ঃ**

**প্ৰান্তীয় বা অগ্ৰ স্বৰবৰ্ণ (Front Vowel) ঃ**

প্ৰান্তীয় বিবৃতৌষ্ঠ্য উচ্চ স্বৰবৰ্ণ /ই/

/ই/ ধ্বনিৰ উচ্চাৰণত জিভাৰ আগভাগ এনে এটা অৱস্থানলৈ দাং খায় আৰু সেই স্থানৰ পৰা সামান্য দাং খালেও বায়ুপ্ৰবাহ বাধাপ্ৰাপ্ত হয়। এই ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুটাৰ মাজৰ ব্যৱধান কমে যদিও দুইফালে আগবাঢ়ি যায়। জিভাৰ আগভাগ একেবাৰে ওপৰলৈ উঠি যায় বাবে ই প্ৰান্তীয়-উচ্চ আৰু ওঁঠ দুটা বিবৃত হৈ থাকে বাবে ই বিবৃতৌষ্ঠ্য স্বৰবৰ্ণ। যেনে—

| | |
|---|---|
| ই ত আ | ইটা |
| ল ই খ | লিখ |
| ব ই চ | বিচ |
| ব এ ছ ই | বেছি |

প্ৰান্তীয় বিবৃতৌষ্ঠ্য মধ্যসম স্বৰবৰ্ণ /এ'/

/এ'/ ধ্বনিৰ উচ্চাৰণ প্ৰান্তীয় বিবৃতৌষ্ঠ্য উচ্চ স্বৰবৰ্ণ /ই / ৰ অৱস্থানতকৈ কিছু নিম্ন আৰু কিঞ্চিৎ কেন্দ্ৰ ফাললৈ আছে। ওঁঠ দুটাৰ ব্যৱধানো সামান্য বাঢ়ে।

Scanned with CamScanner
Scanned with CamScanner

সেয়ে এই ধ্বনিক প্ৰান্তীয় বিবৃতৌষ্ঠ্য মধ্যসম স্বৰবৰ্ণ বোলা হৈছে। যেনে—

| | |
|---|---|
| এ’ট ই | এটি |
| ব এ’চ | বে’চ |
| ব এ’ল ই | বেলি |
| প এ’ত ই | পেটি |

প্ৰান্তীয় বিবৃতৌষ্ঠ্য মধ্যাভাস স্বৰবৰ্ণ /এ/

/এ/ ধ্বনিৰ উচ্চাৰণত /এ’/ ধ্বনি উচ্চাৰণৰ অৱস্থানৰ পৰা জিহ্বাপ্ৰান্ত সামান্য তললৈ নমালে জিভাৰ উচ্চতম বিন্দু কিছু কেন্দ্ৰৰফাললৈ পিচুৱাই যায় আৰু ওঁঠ দুটাৰ ব্যৱধানো বাঢ়ে। সেয়ে এই ধ্বনিক প্ৰান্তীয়-বিবৃতৌষ্ঠ্য মধ্যাভাস স্বৰবৰ্ণ বোলা হৈছে। যেনে—

| | |
|---|---|
| এ ত আ | এটা |
| ব এ ল | বেল |
| ত এ ল | তেল |
| ম এ ল এ | মেলে |

## কেন্দ্ৰীয় স্বৰবৰ্ণ (Central Vowel) ঃ

অসমীয়া ভাষাত কেন্দ্ৰীয় স্বৰবৰ্ণ মাথোন এটা পোৱা গৈছে।

কেন্দ্ৰীয় অৰ্দ্ধসংবৃত নিম্ন স্বৰবৰ্ণ /আ/

/আ/ ধ্বনিৰ উচ্চাৰণত ওঁঠ দুটা বিবৃত হৈ থাকে আৰু জিভাৰ মাজ অংশ একেবাৰে নিম্নতম অৱস্থানত থাকে। এনে অৱস্থানত /আ/ ধ্বনি উচ্চাৰণ হোৱা বাবে ইয়াক কেন্দ্ৰীয় বিবৃতৌষ্ঠ্য নিম্ন স্বৰবৰ্ণ বোলা হৈছে। যেনে—

| | |
|---|---|
| আ ত | আত |
| ব আ ত | বাট |
| ক অ ৰ আ | কৰা |

## মূলীয় বা পশ্চ স্বৰবৰ্ণ (Back Vowel) ঃ

মূলীয় সংবৃতৌষ্ঠ্য উচ্চ স্বৰবৰ্ণ /উ/

/উ/ ধ্বনিৰ উচ্চাৰণ কৰাৰ সময়ত জিহ্বামূল বা পাছ জিভাখন ওপৰলৈ দাং খুৱাই এনে এটা অৱস্থানত ৰখা হয়, ইয়াৰ পৰা আৰু কিঞ্চিৎ ওপৰলৈ নিলেই বায়ুপ্ৰৱাহৰ পথ সংকীৰ্ণ হৈ ঘৰ্ষণৰ সৃষ্টি হয়। জিহ্বামূলৰ এনে অৱস্থানত কোমল তালু ওপৰলৈ দাঙি নাসিকাবিবৰ বন্ধ কৰা হয় আৰু ওঁঠ দুটাও গোলাকাৰ হৈ পৰে। সেয়ে ইয়াক

Scanned with CamScanner
Scanned with CamScanner

মূলীয় সংবৃতৌষ্ঠ্য উচ্চ স্বৰবৰ্ণ বোলা হৈছে। যেনে—

উ ক আ ল　　উকাল

ব ঊ ল　　বুল

প অ ত উ　　পটু

মূলীয় সংবৃতৌষ্ঠ্য মধ্যসম স্বৰবৰ্ণ /ও/

/ও/ ধ্বনিৰ উচ্চাৰণত মূলীয় সংবৃতৌষ্ঠ্য উচ্চ স্বৰবৰ্ণ /উ/ ৰ উচ্চাৰণৰ স্থানৰ পৰা জিহ্বামূল তললৈ অলপ নমাই আনিলে এই অৱস্থানত /উ/ ধ্বনিগুণৰ পৰিৱৰ্তন ঘটি /ও/ ধ্বনিৰ উচ্চাৰণ পোৱা যায়। যেনে—

ও ল আ　　ওলা

ব ও ল　　বোল

ক ও ম অ ল　　কোমল

মূলীয় মধ্যাভাস বা নিম্নমধ্য সংবৃতৌষ্ঠ্য স্বৰবৰ্ণ /অ'/

মূলীয় সংবৃতৌষ্ঠ্য মধ্যসম /ও/ বৰ্ণতকৈ জিহ্বামূল অলপ তললৈ নমাই আনিলে মূলীয় নিম্নমধ্য বা মধ্যাভাস /অ'/ স্বৰৰ উচ্চাৰণপোৱা যায়। যেনে—

অ' ত　　অ'ত

ক অ' ত　　ক'ত

য অ' ত　　য'ত

হ অ'ল　　ব'ল

মূলীয় সংবৃতৌষ্ঠ্য নিম্ন স্বৰবৰ্ণ /অ/

/অ/ স্বৰধ্বনিৰ উচ্চাৰণত জিহ্বামূল একেবাৰে নিম্ন অৱস্থান পায়হি। ওঁঠ দুটাও গোলাকাৰভাৱে মুকলি হৈ পৰে। গতিকে মূলীয় আনবোৰ ধ্বনিতকৈ এই ধ্বনিৰ উচ্চাৰণত নাদ বেছি। সেয়ে এই ধ্বনিৰ উচ্চাৰণক মূলীয় সংবৃতৌষ্ঠ্য নিম্নস্বৰ বোলা হৈছে। যেনে—

অ ত　　অত

ব অ ল　　বল

ক অ ম অ ল　　কমল

Scanned with CamScanner
Scanned with CamScanner